**প্ৰেছ বাৰ্তা নং ঃ ২৮৮/২০২২**

# খানাপাৰাত ২৪টা বিভাগৰ ১১,২৩৬ গৰাকী সফল প্ৰাৰ্থীলৈ নিযুক্তিপত্ৰ বিতৰণ অনুষ্ঠানত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ

## অসমত এতিয়া নেতিবাচক চিন্তা-চৰ্চা কৰাৰ দিন উকলি গৈছেঃ মুখ্যমন্ত্ৰী

### ২ লাখ যুৱক-যুৱতীলৈ স্ব-নিয়োজনৰ সুবিধা প্ৰদানৰ পৰিকল্পনা, পুনৰ ১০ হাজাৰ পদত নিযুক্তিৰ বাবে শীঘ্ৰে বিজ্ঞাপন প্ৰকাশৰ কথা ঘোষণা মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৩ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ১ লাখ পদত নিযুক্তি প্ৰদানৰ প্ৰতিশ্ৰুতি পূৰণৰ অংশ হিচাপে গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত নিযুক্তিপত্ৰ প্ৰদান অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত ২৪টা বিভাগৰ মুঠ ১১,২৩৬ গৰাকী সফল প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰতীকি ৰূপত আঠটা বিভাগৰ ২৭গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰি এই অনুষ্ঠানৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে।

আজি নিযুক্তিপত্ৰ বিতৰণ কৰা পদসমূহৰ ভিতৰত গৃহ বিভাগত ৫,৩৩৫ টা, উচ্চ শিক্ষা আৰু কাৰিকৰী শিক্ষা বিভাগত ৯২৭ টা, বিদ্যালয় শিক্ষা বিভাগত ৩,৮১১ টা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ২৭৭ টা, মেডিকেল শিক্ষাকে ধৰি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত ২৯৯ টা, লোকনিৰ্মাণ বিভাগত ৩০৪ টা, জলসিঞ্চন বিভাগত ১৩৭ টা, পৰিৱেশ আৰু বন বিভাগত ৩৩ টা, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগত ২৪ টা,পশুপালন আৰু পশু চিকিৎসা বিভাগত ২৭ টা, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগত ১৩ টা, ৰূপান্তৰণ আৰু উন্নয়ন বিভাগত ১১ টা, পৰ্যটন বিভাগ আৰু হস্ততাঁত-বস্ত্ৰশিল্প বিভাগত ক্ৰমে ৬ টাকৈ মুঠ ১২ টা, মহিলা আৰু শিশু বিকাশ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু তথ্য-প্ৰযুক্তি বিভাগত ক্ৰমে ৪ টাকৈ ১২ টা, পৰিবহন বিভাগ, জলসম্পদ বিভাগ আৰু মীন বিভাগত ক্ৰমে ৩ টাকৈ ৯ টা, সমবায় বিভাগত ২ টা, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগ, উদ্যোগ আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ আৰু তথ্য আৰু জনসংযোগ বিভাগত ১ টাকৈ মুঠ ৩ টা পদত নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছে।

এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে বিগত ডেৰ বছৰৰ কাৰ্যকালত ইতিমধ্যে প্ৰায় ২৭ হাজাৰ যুৱক-যুৱতীক অতি নিকা আৰু স্বচ্ছতাৰে নিযুক্তি দিবলৈ সক্ষম হৈছে। চৰকাৰখনৰ প্ৰথমটো বৰ্ষত ৪,৭৭৯টা নিয়মীয়া নিযুক্তি প্ৰদান কৰাৰ পিছত কাৰ্যকালৰ দ্বিতীয়টো বৰ্ষত যোৱা ১৪ মে'ত ১১টা বিভাগৰ ২২,৯৫৮টা পদৰ বাবে নিযুক্তিপত্ৰ প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি তৃতীয় আৰু চতুৰ্থ বৰ্গৰ প্ৰায় ২৬ হাজাৰ পদৰ নিযুক্তি প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰে নতুনকৈ এটা বন বাহিনী গঠনৰ সিদ্ধান্ত লৈছে আৰু ইয়াৰ বাবেও

নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। তদুপৰি, বিভিন্ন বিভাগত পুনৰ ১০ হাজাৰ পদত নিযুক্তিৰ বাবে শীঘ্ৰে বিজ্ঞাপন প্ৰকাশ কৰা হ'ব বুলিও সদৰি তেওঁ এই পদসমূহত নিযুক্তি লাভৰ বাবে চাকৰি প্ৰত্যাশী যুৱক-যুৱতীসকলক যাৱতীয় প্ৰস্তুতি আৰম্ভ কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে সদৰি কৰে যে ৰাজ্য চৰকাৰে অসমৰ ২ লাখ যুৱক-যুৱতীলৈ স্ব-নিয়োজনৰ সুবিধা প্ৰদানৰ পৰিকল্পনা গ্ৰহণ কৰিছে আৰু এই দিশত ল'ব খোজা পদক্ষেপ সম্পৰ্কে চৰকাৰে জনসাধাৰণক শীঘ্ৰে অৱগত কৰিব। আজি প্ৰদান কৰা নিযুক্তিৰ দৰেই আগন্তুক তৃতীয় আৰু চতুৰ্থ বৰ্গৰ প্ৰায় ২৬ হাজাৰ পদত নিযুক্তি প্ৰদান প্ৰক্ৰিয়াও স্বচ্ছ আৰু নিকা হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সম্পূৰ্ণ নিকা আৰু স্বচ্ছতাৰে প্ৰতিটো নিযুক্তি প্ৰক্ৰিয়া সম্পাদন কৰি চৰকাৰে ৰাজ্যখনত ঋণাত্মক পৰিৱেশ সৃষ্টি কৰিব খোজা লোকসকললৈ বাণী প্ৰেৰণ কৰিব খোজে যে অসমত এতিয়া নেতিবাচক চিন্তা-চৰ্চা কৰাৰ দিন উকলি গৈছে। অসমত এতিয়া ঋণাত্মক কথা-বতৰাৰ স্থান নাই বুলিও মন্তব্য কৰি তেওঁ কয় যে ৰাজ্যখনে এতিয়া বিকাশৰ পথত ধাৰমান হৈ সমগ্ৰ দেশৰ ভিতৰত এখন শ্ৰেষ্ঠ ৰাজ্য হিচাপে উজলি উঠিব খুজিছে।

মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ৰাজনীতিৰ ক্ষেত্ৰখনৰ সৈতে জড়িত ব্যক্তিসকলে নিৰ্বাচনৰ সময়ত প্ৰদান কৰা প্ৰতিশ্ৰুতিসমূহ বহু সময়ত পৰৱৰ্তী পৰ্যায়ত পাহৰি যায়। ইয়াৰ পৰিৱৰ্তে বৰ্তমানৰ ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতিসমূহ পূৰণৰ অৰ্থে দিনে নিশাই কৰ্ম তৎপৰতা অব্যাহত ৰাখিছে আৰু এই প্ৰতিশ্ৰুতিসমূহ পূৰণৰ মাজেৰেই ৰাজ্যখন বিকশাই তোলাৰ প্ৰচেষ্টাত ব্ৰতী হৈছে। দুখীয়া আৰু দৰিদ্ৰ লোকৰ স্বাৰ্থত যেতিয়া মানুহে কাৰ্যত ব্ৰতী হয় তেতিয়া সন্মুখত বাধা আহি পৰিলেও সেই বাধা আঁতৰ কৰাৰ শক্তি নেদেখাজনে দিয়ে বুলিও মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সন্মুখত হিমালয় সদৃশ বাধা আহি পৰিলেও ৰাজ্য চৰকাৰে ১ লাখ পদত নিযুক্তি প্ৰদান প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিব।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ ৰাজহুৱা শিক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ বাবে লোৱা পদক্ষেপসমূহৰ কথা উল্লেখ কৰি কয় যে সমাজত ৰাজহুৱা শিক্ষা ব্যৱস্থা শক্তিশালী কৰাটো অতিকৈ প্ৰয়োজন। মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে তেওঁ ৰাজ্যৰ শাসন ব্যৱস্থাৰ বিভিন্ন দায়িত্বত থকা কালছোৱাত ২০১১ চনৰ পৰা বৰ্তমানলৈকে এটা দশকৰ ভিতৰত ২ লাখ শিক্ষক নিযুক্তিৰ পথ মুকলি কৰাৰ উপৰি প্ৰায় ৪০হাজাৰ নতুন শিক্ষানুষ্ঠান স্থাপন কৰা হৈছে। দেশৰ ৰাষ্ট্ৰপতিৰ আগন্তুক অসম ভ্ৰমণৰ সময়ত ৰাজ্যখনৰ চাহ বাগিচা অঞ্চলত ১০০খন উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰাৰ পদক্ষেপ লোৱা হৈছে বুলিও তেওঁ সদৰি কৰে। মানৱতাই দুৰ্নীতিক বাধা প্ৰদান কৰে বুলি মন্তব্য কৰি ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে আজি নিযুক্তি পত্ৰ লাভ কৰা যুৱক-যুৱতীসকলক সমৰ্পিত মনোভাৱেৰে সেৱা আগবঢ়াই কৰ্ম সংস্কৃতি গঢ়াৰ আহ্বান জনায়। তেওঁ আজি নিযুক্তিপত্ৰ লাভ কৰা প্ৰাৰ্থীসকলক প্ৰথম মাহৰ দৰমহাৰ কিছু টকাৰে পিতৃ-মাতৃক উপহাৰ প্ৰদান কৰিবলৈ, দ্বিতীয় মহাৰ দৰমহাৰ কিছু অংশ নামঘৰ আদিকে ধৰি উপাসনাস্থলীলৈ আগবঢ়াবলৈ আৰু তৃতীয় মাহৰ দৰমহাৰ কিছু অংশ নিজে পঢ়া বিদ্যালয়ৰ উন্নয়নৰ অৰ্থে আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ সদৰি কৰে যে 'বিদ্যাঞ্জলি' আঁচনিৰ অধীনত চৰকাৰে জনোৱা আবেদনৰ প্ৰতি সঁহাৰি জনাই বৰ্তমানলৈ ৰাজ্যখনৰ ৩০হাজাৰ গৰাকী ব্যক্তিয়ে এসময়ত নিজে শিক্ষাগ্ৰহণ কৰা বিদ্যালয়লৈ বিভিন্ন ধৰণে অৰিহণা আগবঢ়াইছে। তেওঁ অসম আৰক্ষীত নিযুক্তিপ্ৰাপ্ত সকলক সমাজৰ দুৰ্বল শ্ৰেণীৰ প্ৰতি সহানুভূতিশীল

হ'বলৈ আৰু শিক্ষক হিচাপে নিযুক্তিপ্ৰাপ্তসকলক নিয়মিত পাঠদান, গৱেষণা আৰু উদ্ভাৱনীমূলক কাৰ্যত গুৰুত্ব দিবলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে মন্তব্য কৰে যে সকলো শ্ৰেণীৰ লোকৰ প্ৰচেষ্টাত অসমৰ এই বিজয় যাত্ৰা, অশ্বমেধ যাত্ৰা চলি থাকিব আৰু ইতিবাচক চিন্তা-চৰ্চ্চাৰে আগবাঢ়ি ৰাজ্যখন যে এদিন দেশৰ ভিতৰতে শ্ৰেষ্ঠ ৰাজ্যত পৰিণত হ'ব পাৰিব সেই সম্বন্ধে তেওঁৰ পূৰ্ণ বিশ্বাস আছে।

মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানটোত মন্ত্ৰীসকল ক্ৰমে ৰঞ্জিত কুমাৰ দাস, অতুল বৰা, কেশৱ মহন্ত, ডাঃ ৰণোজ পেগু, অজন্তা নেওগ, অশোক সিংহল, ইউ জি ব্ৰহ্ম, পীযুষ হাজৰীকা, বিমল বড়া, নন্দিতা গাৰ্লোচা, জয়ন্তমল্ল বৰুৱা, যোগেন মহন, সঞ্জয় কিষাণ, বিধায়িকা সুমন হৰিপ্ৰিয়া, আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তৰ উপৰি বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২৩/০৯/২০২২**